# সম্পাদকীয়

**ন-কৈ চাই লও পুৰণি পৃথিৱী ...**

আমাৰ আপোন, সুজলা, সুফলা, শস্য-শ্যামলা এই ধুনীয়া ধৰণীৰ বুকুতে সঞ্চিত আছে জীৱনক সফল ৰূপত জনাৰ, বুজাৰ আৰু উদ্‌যাপনৰ অমোঘ মন্ত্ৰ। আমাৰ শিপাত, ঐতিহ্যত, জীৱন পৰিক্ৰমাৰ প্ৰতিটো খাপতে নিহিত আছে জ্ঞানৰ অমল উৎস, অগণিত উপাদান আৰু পৰমজ্ঞান প্ৰাপ্তিৰ নিশ্চিত সোপান। প্ৰতিযোগিতাৰ ধামখুমিয়াত, সফলতাৰ চমু পথ বিচাৰি ভাৰাক্ৰান্ত, স্বাৰ্থপৰ মানুহে সততে পাহৰি যায় সহস্ৰ শতিকাজোৰা সভ্যতাৰ খলা-বমা পথ অতিক্ৰম কৰোঁতে অৰ্জন কৰা বাৰেৰহণীয়া, সোণসেৰীয়া অভিজ্ঞতাক। পিছে, সময় সলনি হয়, ক্ষণ আহে অতীতলৈ ঘূৰি চোৱাৰ, শিপা বিচৰাৰ, শিপাক খামুচি ধৰাৰ তীব্ৰ বাসনা জাগে আৰু আৰম্ভ হয় অতীত প্ৰীতিৰ এক ন-অধ্যায়। মানুহে বিচাৰি লয় পুৰণি পৃথিৱীক নতুনকৈ জুমি চোৱাৰ হিয়া শাঁত পৰা পথ। স্বীকৃতি পাই পুৰণি পৃথিৱীৰ ভাৰ-ভাষা, জীৱন-প্ৰণালী আৰু প্ৰামাণিক অথচ অযত্নপালিত জ্ঞান ভাণ্ডাৰে। এই পুৰণি অথচ নজহা নপমা জ্ঞান সাগৰক ন-দৃষ্টিৰে আলোকপাত কৰি অন্তঃদৃষ্টিৰে অমূল্য হীৰা মুকুটাৰ অন্বেষণৰ এক ভাৰতীয় বৌদ্ধিক তৰংগ হ'ল-- পৰম্পৰাগত ভাৰতীয় জ্ঞান ব্যৱস্থা। ইয়াৰ মূল শিপা প্ৰোথিত আছে ভাৰতীয় সংস্কৃতিৰ আধাৰস্বৰূপ বেদাদি মহা জ্ঞানজলধিৰ বুকুত।

এই জ্ঞান ব্যৱস্থাৰ অক্ষয় ফল্গুধাৰা মৌখিক আৰু লিখিত ৰূপত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বৈ আহিছে। অৱশ্যে কালৰ কুটিল গতিত, পৰিৱৰ্তিত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক ব্যৱস্থাই এই ধাৰা সৰ্বাত্মক ৰূপত বন্ধ কৰিব নোৱাৰিলেও ইয়াৰ গতি স্তিমিত কৰিছিল। পৰাধীনতাৰ শৃংখলেৰে আবদ্ধ, বহিৰাগত ঔপনিৱেশিক শক্তিৰ বিক্ৰম বলৰ অধীনত এই জ্ঞান ব্যৱস্থাই ইয়াৰ ঐতিহ্য, গুণ-গৰিমা আৰু গুৰুত্ব হেৰুৱাই পেলাইছিল। সেয়ে, আমাৰ জাতীয় জীৱনৰ অংগে অংগে; সাহিত্যৰ পাতে পাতে; নৃত্য-গীতৰ ছন্দে-ছন্দে, সাজপাৰৰ ভাঁজে-ভাঁজে, খাদ্যাভাসৰ আঁৰে-আঁৰে লুকাই থকা জ্ঞানৰ বিশাল ভাণ্ডাৰে পশ্চিমীয়া শক্তিৰ আগ্ৰাসনত বাট হেৰুৱাই পেলাইছিল। পিছে, অতি সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তিৰ নিত্য নতুন গৱেষণালব্ধ জ্ঞান আৰু জীৱনৰ সঞ্চিত অভিজ্ঞতাৰে সমৃদ্ধ সচেতন ভাৰতীয় নাগৰিকে আমাৰ গৌৰৱময়, ঐতিহ্যপূৰ্ণ পাৰম্পৰিক জ্ঞান ব্যৱস্থাক ন-মান্যতা, ন্যায্যতা তথা যুক্তিযুক্ততা প্ৰদানৰ সুন্দৰ প্ৰয়াস চলাইছে। একনিষ্ঠ আৰু বস্তুনিষ্ঠ গৱেষণাৰ দ্বাৰা আমাৰ সাংস্কৃতিক জীৱনৰ অলেখ উপাদানত নিহিত হৈ থকা পাৰম্পৰিক জ্ঞানৰ চিনাক্তকৰণ, কৰ্ষণ আৰু প্ৰসাৰ-প্ৰচাৰৰ লক্ষ্যৰে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত নতুন নতুন আঁচনিৰ সূচনা হৈছে। দেশজুৰি প্ৰৱৰ্তন কৰিব বিচৰা ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে (NEP-2020) এই ক্ষেত্ৰত আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত Indian Knowledge System-ক বিধিগতভাৱে সংপৃক্ত কৰি নতুন প্ৰজন্মক পুৰণি পৃথিৱীক ন-কৈ চোৱাৰ বিশাল সুযোগ আৰু জ্ঞান আহৰণৰ ব্যাপক উৎসৰ সন্ধান দিছে।

এই সংখ্যাৰ 'অনুবন্ধ'ই ভাৰতীয় জ্ঞান ব্যৱস্থাৰ বিশাল ক্ষেত্ৰখনৰ বহুমুখী দিশসমূহত আলোকপাত কৰাৰ লগতে আমাৰ মহাকাব্যসমূহৰ পাতত, মৌখিক সাহিত্যসমূহৰ বুকুত, আমাৰ গীতে-মাতে ভাঁহি থকা পৰম্পৰাগত জ্ঞানসমূহৰ ৰসাস্বাদন কৰাৰ প্ৰয়াস কৰিছে। ঔপনিৱেশিকতাবাদৰ পিঠিত উঠি অহা পাশ্চাত্য শিক্ষাই পৰম্পৰাগত জ্ঞান ব্যৱস্থাক কিছু স্থবিৰতা প্ৰদান কৰিলেও নব্য-ঔপনিৱেশিক সাহিত্যই আমাৰ সোণসেৰীয়া অতীতৰ অমলিন জ্ঞানপিপাসাৰ জয়গান গোৱাৰ যি সুযোগ আনি দিছে, তাৰো বিশ্লেষণ এই লেখাসমূহে সুধীসমাজ তথা সমূহ পঢ়ুৱৈলৈ আগবঢ়াইছে।

আমি আশা কৰো লেখাসমূহ প্ৰস্তুতিৰ বেলিকা সকলো লেখকেই বৌদ্ধিক সততা তথা স্বচ্ছতাৰ তুলাচনীৰে নিজৰ সৃষ্টিসমূহ পৰীক্ষা কৰিহে প্ৰেৰণ কৰিছে।

শেষত, 'অনুবন্ধ'ৰ প্ৰকাশৰ পথত প্ৰত্যক্ষ কিম্বা পৰোক্ষৰূপে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ বিশেষতঃ আভ্যন্তৰীণ মান নিশ্চিত কোষৰ সমন্বয়ক ড° পংকজ বৰালৈ সম্পাদনা কক্ষৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।